# জন ক'ৎছৰ এখনি পত্ৰ

**অনুবাদ: প্ৰাঞ্জল তালুকদাৰ**

গৱেষক ছাত্ৰ, গণিতবিজ্ঞান বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়



যোৱা ৯ মে'ত প্ৰসিদ্ধ গণিতজ্ঞ, কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ অধ্যাপক, ৰয়েল চছাইটিৰ ফেল' জন ক'ৎছৰ ৭৭ বছৰ বয়সত মৃত্যু হয়। 'ফাৰ্মাৰ অন্তিম উপপাদ্য'ৰ প্ৰমাণ আগবঢ়োৱা এণ্ড্ৰু ৱাইলছ জন ক'ৎছৰ গৱেষক ছাত্ৰ আছিল। অসমীয়া গণিতজ্ঞ অনুপম শইকীয়াৰো ডক্টৰেট ডিগ্ৰীৰ তত্ত্বাৱধায়ক আছিল জন ক'ৎছ। জন ক'ৎছৰ জন্ম হৈছিল অষ্ট্ৰেলিয়াত। ২০০৮ চনত অষ্ট্ৰেলিয়াত গণিত-বিজ্ঞানৰ বিষয়-বস্তু, শ্ৰেণী, আৰু প্ৰায় ৫০ শতাংশ শিক্ষক-কৰ্মচাৰী কৰ্তনৰ কাৰ্যসূচীৰ প্ৰস্তুতি চলোৱা হৈছিল। তেতিয়া জন ক'ৎছে দেশখনৰ শিক্ষা-মন্ত্ৰীলৈ এখনি পত্ৰ প্ৰেৰণ কৰিছিল। দেশখনৰ সেই ঘটনাক লৈ বিশ্বৰ গাণিতিক মহল উদ্বিগ্ন হৈ পৰিছিল। আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘৰ (IMU) সভাপতিয়েও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল। ক'ৎছৰ পত্ৰখন আন এগৰাকী অষ্ট্ৰেলিয়ান গণিতজ্ঞ, ফিল্ডছ মেডেলিষ্ট টেৰেন্স টাওৰ ব্লগত সন্নিবিষ্ট হৈ আছে। টেৰেন্স টাৱে নিজেও দেশখনৰ সেই কাৰ্যৰ প্ৰতিবাদ জনাবলৈ বিশ্বজুৰি সবল নেতৃত্ব লৈছিল। জন ক'ৎছৰ প্ৰতি সন্মান জনাই সেই চিঠিখনৰ অনুবাদ প্ৰকাশ কৰা হ'ল।

– সম্পাদক

বিষয়: অষ্ট্ৰেলিয়াত গণিতৰ ভৱিষ্যৎ

সন্মানীয় জুলিয়া গিলাৰ্ড এমপি,
উপ-প্ৰধান মন্ত্ৰী আৰু শিক্ষা-মন্ত্ৰী।

প্ৰিয় উপ-প্ৰধান মন্ত্ৰী,

বিদেশত থকা এগৰাকী অষ্ট্ৰেলিয়ান গণিতজ্ঞ হিচাপে অষ্ট্ৰেলিয়াৰ বিশ্ববিদ্যালয়সমূহত এক মুখ্য বিষয় ৰূপে গণিতৰ (পৰিসংখ্যা বিজ্ঞান সমন্বিতে) ভৱিষ্যৎ সম্পৰ্কে মোৰ গভীৰ উদ্বেগ প্ৰকাশ কৰিবলৈ মই এয়া লিখি আছোঁ। আশা কৰোঁ যে যদি মই মোৰ শংকাৰ কাৰণবিলাক অলপ বৰ্ণনা কৰোঁ, তেন্তে আপুনি বেয়া নাপায়।

প্ৰথমতে, ইয়াৰ একান্ত ব্যক্তিগত কাৰণ এটা আছে। মই নিউ ছাউথ ৱেলছৰ টেৰীৰ (Taree) ওচৰৰ গ্ৰাম্যাঞ্চলত ডাঙৰ-দীঘল হৈছিলোঁ। মোৰ পৰিয়ালৰ কাৰোৰেই গণিতৰ কোনো শিক্ষা-দীক্ষা নাছিল। কিন্তু, মই গণিতৰ সকলো গভীৰতা আৰু সৌন্দৰ্যৰে সৈতে বিষয়টো শিকা আৰম্ভ কৰিবলৈ আৰু অৱশেষত মোৰ গোটেই জীৱনটো বিষয়টোত নিমগ্ন হৈ কটাবলৈ সক্ষম হৈছিলোঁ। ইয়াৰ কাৰণ আছিল মই টেৰী হাইস্কুলত লাভ কৰা উৎকৃষ্ট শিক্ষা, আৰু তাৰ পাছত কেনবেৰাৰ অষ্ট্ৰেলিয়ান নেচনেল বিশ্ববিদ্যালয়ত নতুনকৈ গঠিত হোৱা স্কুল অফ জেনেৰেল ষ্টাডিজত প্ৰাক-স্নাতক মহলাৰ গণিতৰ এক অত্যুত্তম পাঠ্যক্ৰম।

আন বহুতো অষ্ট্ৰেলিয়ান গণিতজ্ঞ আছে, যাৰ গণিতত প্ৰৱেশ কৰাৰ কাহিনী মোৰ কাহিনীটোৰ পৰা সম্পূৰ্ণৰূপে পৃথক, কিন্তু আমাৰ সকলোৰে এই বিষয়টোত প্ৰৱেশ-সুচলতা লাভ কৰাৰ অভিজ্ঞতাৰ ক্ষেত্ৰত এক উমৈহতীয়া বৈশিষ্ট্য আছে। যেনে, আমি এনে এক হাইস্কুল আৰু বিশ্ববিদ্যালয় ব্যৱস্থাৰ পৰা গণিতৰ বুনিয়াদী কথাখিনি শিকিবলৈ আৰু ইয়াৰ বৌদ্ধিক প্ৰত্যাহ্বানবোৰৰ এক সোৱাদ পাবলৈ সক্ষম হৈছিলোঁ যিয়ে ভাল শিক্ষক আৰু ভাল গণিতৰ বিভাগ থকাৰ ওপৰত গুৰুত্ব আৰোপ আৰু গৌৰৱবোধ কৰিছিল।

দ্বিতীয়তে, অষ্ট্ৰেলিয়াই গণিত শিক্ষণ আৰু গৱেষণাক পৰ্যাপ্তভাবে সমৰ্থন কৰাত ব্যৰ্থ হোৱাৰ ফলত দীৰ্ঘম্যাদী সময়ত দেশখনে পৰিশোধ কৰিবলগীয়া অৰ্থনৈতিক আৰু সাংস্কৃতিক মূল্যৰ বাবে মোৰ যথেষ্ট উদ্বেগ আছে। মই মাত্ৰ এটা উদাহৰণৰ কথা উল্লেখ কৰিব খুজিছোঁ। **১৯৫০** ৰ দশকত পেট মৰেণ অষ্ট্ৰেলিয়ান নেচনেল বিশ্ববিদ্যালয়ৰ ইনষ্টিটিউট অফ এডভান্সড ষ্টাডিজত পৰিসংখ্যা বিজ্ঞানৰ প্ৰতিষ্ঠাপক অধ্যাপক হোৱাৰ পাছৰে পৰা, পৰিসংখ্যা বিজ্ঞান আৰু সম্ভাৱিতা তত্ত্বৰ শিক্ষাদান আৰু গৱেষণাত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ শিক্ষালয়সমূহৰ ভিতৰত এখন অষ্ট্ৰেলিয়াই লাভ কৰিছে। এই কথা কোৱাটো অতিৰঞ্জিত নহ'ব যে পৰিসংখ্যা বিজ্ঞান আৰু প্ৰায়োগিক সম্ভাৱিতা তত্ত্ব হৈছে একবিংশ শতিকাৰ গণিতৰ প্ৰয়োগৰ বাবে বিশাল ক্ষেত্ৰ, যাৰ সৈতে আছে বিত্তীয় আৰু ঔদ্যোগিক বিশ্বখনৰ এক বৃহৎ অংশৰ লগতে জৈৱ বিজ্ঞান আৰু সিহঁতৰ ওপৰত নিৰ্ভৰশীল প্ৰচুৰ পৰিমাণৰ প্ৰযুক্তি। কিন্তু মোৰ ধাৰণা হয় যে অষ্ট্ৰেলিয়ান বিশ্ববিদ্যালয়সমূহে এই মূল্যৱান ৰাষ্ট্ৰীয় মাণিকবিধক গঢ়ি তোলাটোতো দূৰৰে কথা, ইয়াক পৰ্যাপ্তভাবে সমৰ্থন কৰাটোতো সম্পূৰ্ণৰূপে অৱহেলা কৰিছে। আৰু যিকোনো মানুহেই গাণিতিক বিজ্ঞানৰ আন বহুতো অংশত একেধৰণৰ উদাহৰণৰ উল্লেখ কৰিব পাৰিব।

অষ্ট্ৰেলিয়ান বিশ্ববিদ্যালয়সমূহত গণিতৰ প্ৰতি সমৰ্থন আৰু প্ৰশংসাৰ এই সামূহিক অভাৱে অষ্ট্ৰেলিয়ান গণিতজ্ঞসকলৰ মনোবলক, বিশেষকৈ অষ্ট্ৰেলিয়াত কৰ্মৰত, আৰু লগতে আমি বিদেশত থকাসকলৰো, কেনেদৰে আক্ৰান্ত কৰিছে, সেয়া মই যোৱা দশকজুৰি দেখিছোঁ। মই জানিবলৈ পাই আনন্দিত হৈছিলোঁ যে শেহতীয়াকৈ যুক্তৰাষ্ট্ৰীয় চৰকাৰে, বিশেষকৈ গণিত বিভাগৰ প্ৰতিকূল বিত্তীয় পৰিস্থিতিক বিপৰীতমুখী কৰিবলৈ, বিশ্ববিদ্যালয়সমূহে যাতে অধিক যুক্তৰাষ্ট্ৰীয় পুঁজি পাব পাৰে সেয়া চেষ্টা আৰু নিশ্চিত কৰিবলৈ এক দৃঢ় পদক্ষেপ লৈছে। অৱশ্যে, এই মুহূৰ্তত টুৰুম্বাত থকা ইউনিভাৰ্চিটি অফ ছাউডাৰ্ণ কুইন্সলেণ্ডত যি ঘটি আছে, সেই স্পষ্ট ঘটনাটোৱে এয়া প্ৰতিপন্ন কৰা যেন লাগিছে যে এই পদক্ষেপখিনি কাৰ্যতঃ কাৰ্যকৰী হৈ থকা নাই আৰু বহুতো অষ্ট্ৰেলিয়ান বিশ্ববিদ্যালয়ত বিষয় হিচাপে মৌলিক গাণিতিক কাম আৰু গৱেষণাক ধ্বংসৰ পৰা প্ৰতিৰোধ কৰিবলৈ বহু বেছি কৰণীয় আছে। মই বিশেষকৈ ইউনিভাৰ্চিটি অফ ছাউডাৰ্ণ কুইন্সলেণ্ডৰ নিৰ্দিষ্ট ঘটনাটোৰ কথা দৃঢ়ভাৱে ভাবোঁ, কাৰণ পৰিকল্পিত কৰ্তনসমূহ খুবেই গুৰুতৰ (আপুনি নিশ্চয় জানেই যে বিশ্ববিদ্যালয়খনে গণিত আৰু সংগণন বিভাগৰ কৰ্মচাৰীসকলৰ প্ৰায় ৫০ শতাংশ কৰ্তন কৰাৰ, গণিত আৰু পৰিসংখ্যা বিজ্ঞানৰ সেৱাত নথকা শিক্ষণ নাইকিয়া কৰাৰ আৰু লগতে এই দুয়োটা শাখাৰ মেজৰসমূহো আঁতৰোৱাৰ পৰিকল্পনা কৰিছে), তাৰোপৰি মোৰ আশংকা হয় যে ই কুইন্সলেণ্ডৰ গ্ৰাম্যাঞ্চলত বাস কৰা তৰুণ অষ্ট্ৰেলিয়ানসকলৰ গণিতত প্ৰৱেশ-সুচলতাৰ ক্ষেত্ৰত ক্ষতিসাধন কৰিব।

মোৰ এই গভীৰ বিশ্বাস ব্যক্ত কৰি মই সামৰিব খুজিছোঁ যে অষ্ট্ৰেলিয়াৰ সকলো নাগৰিকৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক কল্যাণৰ বাবে অষ্ট্ৰেলিয়াক এক উন্নতিশীল গাণিতিক সম্প্ৰদায়ৰ প্ৰয়োজন। কিন্তু বহুতো অষ্ট্ৰেলিয়ানৰ এই ক্ষেত্ৰখনত থকা স্বাভাৱিক প্ৰতিভা যাতে অষ্ট্ৰেলিয়াতেই সম্পূৰ্ণৰূপে প্ৰস্ফুটিত হৈ উঠিব পাৰে সেয়া নিশ্চিত কৰাৰ বাবে স্পষ্ট ৰূপত আৰু অধিক কাম কৰাৰ প্ৰয়োজন আছে।

ভৱদীয়

জন ক'ৎছ

বিশুদ্ধ গণিতৰ চেডলেইৰিয়ান অধ্যাপক, এফ.আৰ.এছ.

কেম্ব্ৰিজ বিশ্ববিদ্যালয়